# Phone call between Prime Minister Shri Narendra Modi and H.E. Giuseppe Conte, Prime Minister of Italy

May 08, 2020

---

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু ইটালীৰ প্ৰধানমন্ত্ৰী মহামান্য জিউছেপ্পি কণ্টেৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

মে’ 08, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ প্ৰধানমন্ত্ৰী মহামান্য জিউছেপ্পি কণ্টেৰ সৈতে টেলিফোনযোগে বাৰ্তালাপত মিলিত হয়।

ক’ভিড-19 মহামাৰীৰ কাৰণে ইটালীত প্ৰণহানি হোৱা লোকসকলৰ প্ৰতি প্ৰধানমন্ত্ৰীয়ে সমবেদনা জ্ঞাপন কৰে। সংকটৰ এই সময়ছোৱাত ইটালীৰ নাগৰিকসকলে যি সাহসিকতাৰ পৰিচয় দিছে প্ৰধানমনত্ৰীয়ে তাৰ প্ৰশংসা কৰে।

দুয়োগৰাকী নেতাই এই মহামাৰীৰ ফলত দুয়োখন দেশৰ লগতে সমগ্ৰ বিশ্বজুৰি স্বাস্থ্য আৰু আৰ্থিক ক্ষেত্ৰত দেখা দিয়া সংকট মোকাবিলা কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপৰ বিষয়ে আলোচনা কৰে। দুয়োগৰাকী নেতাই এজনে আনজনৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে আৰু দুয়োখন দেশত আৱদ্ধ হৈ থকা নিজ নিজ নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সহায়ৰ বাবেও পৰস্পৰে পৰস্পৰক প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰীয়ে শ্ৰী কণ্টেক ভাৰতৰ ফালৰ পৰা প্ৰয়োজনীয় ঔষধপাতি আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী প্ৰেৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

দ্বিপাক্ষিক সম্পৰ্ক আৰু অধিক দৃঢ় কৰাৰ কাৰণে ভাৰত আৰু ইটালীৰ মাজত সক্ৰিয় পৰামৰ্শ আৰু সহযোগিতা অব্যাহত ৰখাৰ কথাত দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

ইটালীৰ প্ৰধানমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোডীক সময় সুবিধা অনুসৰি ইটালীলৈ আহিবলৈ নিমন্ত্ৰণ জনায়।

**নতুন দিল্লী**
**মে’ 08, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.